# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-06-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ল’বেল ছাউথ বিশেষকৈ আফ্ৰিকাৰ সৈতে জড়িত বিষয়সমূহক অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰীয়ে কালি G-7 শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ’ৰ্জিয়া মেলনিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

৩। অষ্টাদশ মুম্বাই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ আজি আৰম্ভ হ’ব।

৪। ভাৰতৰ সুমিত নাগল ইটালীত অনুষ্ঠিত এ টি পি ছেলেঞ্জাৰ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। ভাৰত আজি আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ল’বেল ছাউথ অৰ্থাৎ অনুন্নত ৰাষ্ট্ৰ বিশেষকৈ আফ্ৰিকাৰ সৈতে জড়িত বিষয়সমূহক অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাইছে। ইটালীৰ অপুলিয়াত অনুষ্ঠিত G-7 শীৰ্ষ সন্মিলনত ভাষণ দি শ্ৰীমোদীয়ে কালি এইদৰে আহ্বান জনায়। তেওঁ কয় যে, ভাৰতৰ অধ্যক্ষতাত আফ্ৰিকীয় সংঘক G-20 ৰাষ্ট্ৰ গোষ্ঠীৰ স্থায়ী সদস্য পদ প্ৰদান কৰাটো দেশৰ বাবে গৌৰৱৰ কথা। শ্ৰীমোদীয়ে কয় যে, ভাৰতে ২০৭০ বৰ্ষলৈকে শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যত উপনীত হোৱাৰ দিশে অগ্ৰসৰ হৈছে। ভাৰতৰ মিছন লাইফৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে তেওঁ আৰম্ভ কৰা প্লাণ্ট ফ’ৰ মাডাৰ অৰ্থাৎ এজোপা গছ মাৰ নামত শীৰ্ষক অভিযানত অংশগ্ৰহণ কৰিবলৈ গোলকীয় সম্প্ৰদায়ৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে এই অভিযানক গণ আন্দোলণত পৰিণত কৰিবলৈও আহ্বান জনায়।

ভাৰতৰ কৃত্ৰিম বুদ্ধিমত্তা অভিযান সন্দৰ্ভত মতপ্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে, সকলোৰে প্ৰগতি আৰু কল্যাণ ত্বৰান্বিত কৰাই এই প্ৰযুক্তিৰ মূল লক্ষ্য হোৱা উচিত। তেওঁ কয় যে, ভাৰতে কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় জোঁটৰ প্ৰতিষ্ঠাপক সদস্য হিচাপে আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰসাৰৰ হকে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে G-7 ৰাষ্ট্ৰগোষ্ঠীক ইয়াৰ ৫০ সংখ্যক বাৰ্ষিকীৰ অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে, এই সন্মিলনত অংশগ্ৰহণ কৰাটো তেওঁৰ বাবে সন্তুষ্টিৰ বিষয়। শ্ৰীমোদীয়ে লগতে কয় যে, মানৱীয় দৃষ্টিভংগী আধাৰিত প্ৰযুক্তিহে সফল হয়। তেওঁ

লগতে ৰাজহুৱা সেৱা প্ৰদানৰ বাবে ডিজিটীয় প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰতৰ সফলতাৰ বিষয়ে আলোচনা কৰে। ইয়াৰ পূৰ্বে সন্মিলনৰ অধ্যক্ষ ৰাষ্ট্ৰ ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰ্জিয়া মেলনিয়ে কয় যে, পশ্চিমীয়া দেশসমূহক বাকী অংশৰ পৰা পৃথক কৰিব খোজা ব্যাখ্যা কোনো কাৰণতে স্বীকাৰ্য নহয়। তেওঁ কয় যে, ৰাষ্ট্ৰসমূহৰ পাৰস্পৰিক সহযোগিতাৰেহে গোলকীয় প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হ'ব পৰা যায়। সন্মিলৰ আউত্ৰিছ সত্ৰ বৰ্তমান সময়ৰ আটাইতকৈ প্ৰাসংগিক প্ৰত্যাহ্বান  বিষয়ক আলোচনাৰ নামত উৎসৰ্গিত। ইয়াৰ ভিতৰত কৃত্ৰিম বুদ্ধিমত্তা, শক্তি, আফ্ৰিকা আৰু ভূমধ্য সাগৰীয় অঞ্চলৰ সৈতে জড়িত বিভিন্ন বিষয় অন্যতম।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি G-7 শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰ্জিয়া মেলনিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। প্ৰধানমন্ত্ৰীদ্বয়ে উভয় দেশৰ মাজৰ প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতাক লৈ আলোচনা কৰে আৰু অনাগত সময়ত প্ৰতিৰক্ষা ঔদ্যোগিক সহযোগিতা অধিক বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰে। তেওঁলোকে লগতে ভাৰত আৰু ইটালীৰ মাজৰ কৌশলগত সহযোগিতাৰ প্ৰগতিৰো পৰ্যালোচনা চলায়। সাক্ষাৎ কালত দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে সুস্থিৰ যোগান শৃংখলা গঢ়ি তোলাৰ বাবে নিকা শক্তি, নিৰ্মাণ, মহাকাশ, বিজ্ঞান আৰু প্ৰযুক্তি, দূৰসংযোগ, কৃত্ৰিম বুদ্ধিমত্তা আৰু গুৰুত্বপূৰ্ণ খনিজ ক্ষেত্ৰত বাণিজ্যিক সম্পৰ্ক সম্প্ৰসাৰণৰ বাবে আহ্বান জনায়। এই সন্দৰ্ভত তেওঁলোকে অলপতে স্বাক্ষৰিত ঔদ্যোগিক সম্পত্তি অধিকাৰ সম্পৰ্কীয় বুজাবুজিৰ চুক্তিৰ প্ৰতি আদৰণি জনায়। এই চুক্তিখনে পেটেণ্ট অৰ্থাৎ কৃতিস্বত্ব, আৰ্হি আৰু পণ্যচিহ্নৰ বাবে পৰিকাঠামো  প্ৰদান কৰিব। তেওঁলোকে লগতে শক্তি পৰিৱৰ্তনৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে স্বাক্ষৰিত অভিপ্ৰায় পত্ৰৰ প্ৰতিও আদৰণি জনায়। ইয়াৰ জৰিয়তে নিকা আৰু সেউজ শক্তিৰ ক্ষেত্ৰত দুয়ো দেশৰ মাজত দ্বিপাক্ষিক সহযোগিতা অধিক সুদৃঢ় হ'ব বুলি আশা কৰা হৈছে। তেওঁলোকে ভাৰত-মধ্য প্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক কৰিডৰকে ধৰি গোলকীয় মঞ্চ আৰু বহুপাক্ষিক উদ্যমৰ ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰাৰ সপক্ষেও মত পোষন কৰে। ইটালীৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে শ্ৰীমোদীক প্ৰধানমন্ত্ৰী হিচাপে ক্ৰমাগত তৃতীয়টো কাৰ্যকালৰ বাবে অভিনন্দন জ্ঞাপন কৰে। দুয়োগৰাকী নেতাই প্ৰব্ৰজন আৰু সচলতা চুক্তি শীঘ্ৰে ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। এই চুক্তিয়ে উভয় দেশৰ বৃত্তিধাৰী, দক্ষ আৰু অৰ্ধ দক্ষ শ্ৰমিক, শিক্ষাৰ্থী আৰু গৱেষকসকলৰ বাবে ইখন দেশৰ পৰা সিখন দেশলৈ অহা-যোৱা  প্ৰক্ৰিয়া সুচল কৰি তুলিব। প্ৰধানমন্ত্ৰীয়ে লগতে, জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিশিডাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত শ্ৰীমোদীয়ে কয় যে, তেওঁৰ তৃতীয় কাৰ্যকালতো জাপানৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ বিষয়টোৱে গুৰুত্ব লাভ কৰিব। ইয়াৰ পূৰ্বে শ্ৰীমোদীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ', ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি চুনাক আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

প্ৰধানমন্ত্ৰীয়ে G-7 শীৰ্ষ সন্মিলনৰ আপাহতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেন সহ কেইবাগৰাকীও বিশ্ব নেতাক দেখা কৰে। শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে কৈছে যে, ভাৰত আৰু আমেৰিকাই বিশ্বৰ ভালৰ বাবে একেলগে কাম কৰি যাব। তেওঁ লগতে জৰ্দানৰ ৰজা আব্দুল্লা দ্বিতীয়কো দেখা কৰে। তেওঁ কয় যে, ভাৰতে জৰ্দানৰ সৈতে থকা সম্পৰ্কত যথেষ্ট গুৰুত্ব দিয়ে। শ্ৰীমোদীয়ে সন্মিলনত ভাগ লোৱাৰ সুযোগতে প'প ফ্ৰান্সিছকো দেখা কৰে। প্ৰধানন্ত্ৰীয়ে জনসাধাৰণৰ প্ৰতি সেৱা আৰু পৃথিৱীৰ হিত সাধনৰ বাবে প'পৰ প্ৰতিবদ্ধতাৰ শলাগ লয়। তেওঁ লগতে প'পক ভাৰত ভ্ৰমণলৈ আমন্ত্ৰণ জনায়।

সন্মিলনত অংশগ্ৰহণ কৰাৰ সুযোগতে  প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছ, ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুলা দি ছিলভা, তুৰস্কৰ ৰাষ্ট্ৰপতি ৰিছেপ তৈয়প এৰ্ডোগান, সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ, ইউ এ ইৰ ৰাষ্ট্ৰপতি মহম্মদ বিন জায়েদ অল নাহ্য়ান আৰু কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুড'কো দেখা কৰে।

ooooo

মুম্বাইত আজিৰে পৰা ২১ জুনলৈ ৭ দিনীয়াকৈ ১৮ সংখ্যক মুম্বাই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ আৰম্ভ হ'ব। National Geographic's ৰ তথ্যচিত্ৰ 'Billy and Molly: An Otter Love Story'ৰ প্ৰদৰ্শনৰে এই মহোৎসৱৰ আৰম্ভণি হ'ব। উদ্বোধনী বোলছবিখন আজি দিল্লী, ক'লকাতা, চেন্নাই আৰু পুনেত সমান্তৰালভাৱে প্ৰদৰ্শন কৰা হ'ব। ৰেড কাৰ্পেট অনুষ্ঠানৰ সময়ত দিল্লীত ১৭ জুনত, চেন্নাইত ১৮ জুনত, ক'লকাতাত ১৯ জুনত আৰু পুনেত ২০ জুনতো এই বোলছবি প্ৰদৰ্শিত হ'ব।

৭৮ মিনিট জোৰা Billy and Molly: An Otter Love Story শীৰ্ষক বোলছবিখনৰ নিৰ্দেশনা কৰিছে চাৰ্লি হেমিল্টন জেমছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে পৰহি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত ওড়িশাৰ কৃষিভিত্তিক উৎসৱ ৰাজা পৰ্বত অংশগ্ৰহণ কৰে। অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজা গীত, ময়ুৰভঞ্জ ছাউ নৃত্য, সম্বলপুৰী নৃত্য, কৰ্মা নৃত্য আদি সাংস্কৃতিক অনুষ্ঠানৰ সাক্ষী হয়। ৰাষ্ট্ৰপতি ভৱনত প্ৰথমবাৰৰ বাবে ৰাজা পৰ্ব উদযাপন কৰা হয়। এই উদযাপনে ওডিয়া সংস্কৃতি আৰু জীৱনশৈলীৰ এক অনন্য আভাস প্ৰদান কৰে। প্ৰতিবছৰে বাৰিষাৰ আৰম্ভণিৰ সময়তে তিনিদিনীয়াকৈ এই কৃষিভিত্তিক উৎসৱ পালন কৰা হয়।

ooooo

স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাৰ সভাপতিত্বত কালি স্বাস্থ্য মন্ত্ৰালয়ৰ উচ্চপদস্থ বিষয়াসকলক লৈ নতুন দিল্লীত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। নতুন চৰকাৰ গঠনৰ প্ৰথম ১০০ দিনৰ ভিতৰত মন্ত্ৰালয়ে নিৰ্ধাৰণ কৰা লক্ষ্যত উপনীত হোৱাৰ বিষয়ে বৈঠকত পৰ্যালোচনা কৰা হয়। দেশজুৰি চিকিৎসা সুবিধা আৰু স্বাস্থ্য ব্যৱস্থাৰ মান অধিক উন্নত কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ প্ৰদান কৰিছে। তেওঁ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত জৰুৰীকালীন সঁহাৰি ব্যৱস্থাপনাৰ দৰে কাৰ্যসূচীত প্ৰযুক্তিবিদ্যাৰ সহায় লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসংক্ৰামক ৰোগৰ ক্ৰমবৰ্ধমান প্ৰাদুৰ্ভাৱ, ধঁপাতৰ ক্ষতিকাৰক প্ৰভাৱ, স্বাস্থ্যসন্মত খাদ্য আৰু জীৱনশৈলী সন্দৰ্ভত সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ooooo

৭ জুনত সমাপ্ত হোৱা সপ্তাহটোত দেশৰ বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা ধনৰ পৰিমাণ ৪৩০ কোটি ৭০ লাখ ডলাৰ বৃদ্ধি পাই ৬৫ হাজাৰ ৫৮১ কোটি ৭০ লাখ ডলাৰৰ সৰ্বকালৰ সৰ্বোচ্চ পৰ্যায় পাইছে গৈ। ইয়াৰ পূৰ্বে যোৱা

সপ্তাহত বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা ধনৰ পৰিমাণ ৪৮৩ কোটি ৭০ লাখ ডলাৰ বৃদ্ধি পাই ৬৫ হাজাৰ ১৯১ কোটি ডলাৰ হৈছিল।

০০০০০

ভাৰতৰ সুমিত নাগল ইটালীত অনুষ্ঠিত এ টি পি ছেলেঞ্জাৰ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। সুমিতে কালি কোৱাৰ্টাৰ ফাইনেলত পোলেণ্ডৰ মেক্স কাছনিকোৰ্‌স্কিক ৬-৪, ৭-৫ পোনপটীয়া ছেটত পৰাস্ত কৰে। সুমিত আজি ছেমি ফাইনেলত স্পেইনৰ বৰ্নাবে জপাতা মিৰালেজৰ সন্মুখীন হ'ব।

০০০০০

ভাৰত আজি ফ্লৰিডাত হ'বলগীয়া আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে, আয়াৰলেণ্ডৰ বিৰুদ্ধে লৌডেৰহিলত হ'বলগীয়া খেলখন নেৰা নেপেৰা বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰাত আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত স্থান লাভ কৰে। আমেৰিকাই এইবাৰ প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰিছে। ভাৰতৰ পাছত আমেৰিকা ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰা গ্ৰুপ-এৰ দ্বিতীয়টো দল ৰূপে পৰিগণিত হৈছে। ইফাল, পূৰ্বৰ চেম্পিয়ন পাকিস্তান আৰু আয়াৰলেণ্ড প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

০০০০০

ইউৰো কাপ ২০২৪ত মিউনিখৰ এলিয়ানজ এৰিনা ফুটবল ষ্টেডিয়ামত কালি অনুষ্ঠিত উদ্বোধনী মেচত জাৰ্মানীয়ে স্কটলেণ্ডক ৫-১ গ'লত পৰাস্ত কৰে। আয়োজক দল জাৰ্মানীৰ হৈ খেলৰ প্ৰথমাৰ্ধত কাই হাভাৰ্টজ, ফ্লৰিয়ান উইৰ্টজ আৰু জামাল মুছিয়ালাই এটাকৈ গ'ল দিয়ে। দ্বিতীয়াৰ্ধত নিক্লাছ ফুলক্ৰুগ আৰু এমৰে কেনে এটাকৈ গ'ল দিয়ে। স্কটলেণ্ডৰ হৈ খেলৰ ৮৭ মিনিটত এণ্টনিঅ' ৰুডিগাৰে এটা গ'ল দিবলৈ সমৰ্থ হয় । আজি কল'নত গ্ৰুপ এৰ এখন খেলত হাংগেৰীয়ে ছুইজাৰলেণ্ডৰ বিৰুদ্ধে খেলিব। আনহাতে বাৰ্লিনত গ্ৰুপ বিৰ এখন খেলত ক্ৰ'ৱেচিয়া স্পেইনৰ মুখামুখি হ'ব। ইউৰোপীয় ফুটবল চেম্পিয়নশ্বিপত এইবাৰ মুঠ ২৪খন দেশে প্ৰতিদ্বন্দ্বিতা কৰিছে আৰু দলসমূহক ছটা গোটত বিভক্ত কৰা হৈছে।

০০০০০

**সমাপ্ত**